**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 27-09-2025
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

১।	প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ওড়িশাত ৬০ হাজাৰ কোটি টকাতকৈও অধিক পুঁজি ব্যয় সাপেক্ষ কেইবাটাও প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে।

২।	ব্ৰীকছ ৰাষ্ট্ৰসমূহৰ বিদেশ মন্ত্ৰীসকলে যোৱা ২২ এপ্ৰিলত জম্মু-কাশ্মীৰৰ পেহেলগামত হোৱা সন্ত্ৰাসবাদী আক্ৰমণৰ তীব্ৰ ভাষাৰে নিন্দা কৰিছে।

৩।	ভাৰতে পৰ্যটনৰ মূল দৃষ্টিভংগীৰ সৈতে সংযোগ স্থাপন কৰি আগবাঢ়ি গৈছে বুলি পৰ্যটন ৰাজ্য মন্ত্ৰী সুৰেশ গোপীয়ে মতপ্ৰকাশ কৰিছে।

৪।	প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ আগত নিজৰ মনৰ ভাব ব্যক্ত কৰিব।

*আৰু*

৫।	বিশ্ব পেৰা আৰ্চাৰী চেম্পিয়নশ্বিপত আজি অন্তিম দিনা ব্যক্তিগত কম্পাউণ্ড শাখাত ভাৰতে দুটা সোণৰ পদক অৰ্জন কৰে।

0000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ওড়িশাৰ ঝাৰছুগুড়াত ৬০ হাজাৰ কোটি টকাতকৈও অধিক পৰিমাণৰ পুঁজি ব্যয় সাপেক্ষ ৰকেইবাটাও প্ৰকল্প উদ্বোধন কৰাৰ লগতে এনে প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। এই প্ৰকল্পসমূহৰ ভিতৰত দূৰসংযোগ, ৰে'লপথ, উচ্চ শিক্ষা, স্বাস্থ্য সেৱা, দক্ষতা বিকাশ, গ্ৰামাঞ্চলৰ বাসগৃহ নিৰ্মাণ আদিকে ধৰি ভালেমান খণ্ডক সামৰি লোৱা হৈছে।

প্ৰধানমন্ত্ৰী মোদীয়ে লগতে ওড়িশাৰ বেৰহামপুৰ আৰু উধনাৰ মাজত চলাচল কৰিবলগীয়া অমৃত-ভাৰত এক্সপ্ৰেছ ৰে'লগাড়ী খনৰো যাত্ৰাৰ শুভাৰম্ভ কৰে। একেদৰে ওড়িশাৰ পৰাই প্ৰধানমন্ত্ৰী মোদীয়ে আজি ভাৰ্চুৱেল ব্যৱস্থাৰে গুজৰাটৰ প্ৰথমখন অমৃত-ভাৰত এক্সপ্ৰেছ ৰে'লগাড়ীৰো সেৱা মুকলি কৰে।

আজিৰ অনুষ্ঠানত ভাষণ দি প্ৰধানমন্ত্ৰীয়ে কয় যে ডবল ইঞ্জিনৰ চৰকাৰৰ জৰিয়তে ওড়িশা উন্নিতৰ পথত দ্ৰুত গতিত আগবাঢ়ি গৈছে। প্ৰধানমন্ত্ৰীগৰাকীয়ে ভাৰ্চুৱেল ব্যৱস্থাৰে সমগ্ৰ দেশতে ৩৭ হাজাৰ কোটি টকা ব্যয় সাপেক্ষে স্বদেশী প্ৰযুক্তিৰে নিৰ্মিত ৯৭ হাজাৰ ৫০০টা ফ'ৰ জি ম'বাইল টাৱাৰ উদ্বোধন কৰে। এই উপলক্ষে আজি গুৱাহাটীত আয়োজিত কাৰ্যসূচীৰ জৰিয়তে কেন্দ্ৰীয় মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়া আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অনুষ্ঠানত ভাৰ্চুৱেলী অংশগ্ৰহণ কৰে। স্বদেশী ফ'ৰ জি নেটৱৰ্কৰ উদ্বোধনী কাৰ্যসূচীৰ প্ৰাক্ মুহূৰ্তত কেন্দ্ৰীয় মন্ত্ৰী সিন্ধিয়া আৰু

টাটা ছনছৰ অধ্যক্ষ এম চন্দ্ৰশেখৰণৰ সৈতে মুখ্যমন্ত্ৰীয়ে অসমৰ প্ৰিয় শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ সন্মুখত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। স্বদেশী ফ'ৰ-জি আৰু ফাইভ-জি নেটৱৰ্কৰ সহায়ত দেশখনে শীঘ্ৰেই বিশ্বৰ ৫খন দেশৰ ভিতৰত স্থান লাভ কৰিব বুলিও শ্ৰী মোদীয়ে আশা প্ৰকাশ কৰে। বি এছ এন এলে আমাৰ দেশৰ বাবে সম্পূৰ্ণৰূপে স্বকীয় ফ'ৰ জি নেটৱৰ্ক গঢ়ি তোলাটোক গৌৰৱৰ বিষয় বুলি মত প্ৰকাশ কৰি তেওঁ কয়, যে ভাৰতবৰ্ষই দূৰ সংযোগ প্ৰযুক্তিৰ দিশৰ পৰা বিশ্বৰ অন্যতম কেন্দ্ৰ হিচাপে স্বীকৃতি লাভ কৰিব। কঠোৰ পৰিশ্ৰম আৰু সামৰ্থৰ জৰিয়তে বি এছ এন এলে ইতিহাত এটা নতুন অধ্যায়ৰ সূচনা কৰিছে বুলিও তেওঁ মত প্ৰকাশ কৰে। শ্ৰী মোদীয়ে দূৰ সংযোগ প্ৰযুক্তিৰ ক্ষেত্ৰত অচিৰেই গোলকীয় হাব হিচাপে ভাৰত পৰিগণিত হ'ব বুলি মত প্ৰকাশ কৰে। তেওঁ কয়, যে সমগ্ৰ দেশৰ ৩০ হাজাৰখন গাঁৱত অচিৰেই দ্ৰুত বেগী ইণ্টাৰনেট সংযোগ দিয়া হ'ব, যাতে গাঁওসমূহত ডিজিটেল সেৱা প্ৰদান কৰিব পৰা যায়।

০০০০০০০

ব্ৰীকছ ৰাষ্ট্ৰসমূহৰ বিদেশ মন্ত্ৰীসকলে যোৱা ২২ এপ্ৰিলত জম্মু-কাশ্মীৰৰ পেহেলগামত হোৱা সন্ত্ৰাসবাদী আক্ৰমণৰ তীব্ৰ ভাষাৰে নিন্দা কৰিছে। ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাৰ ৮০ সংখ্যক বৈঠকৰ সময়তে নিউয়ৰ্কত কালি ব্ৰীকছ ৰাষ্ট্ৰগোষ্ঠিৰ বিদেশ মন্ত্ৰীসকলৰ বাৰ্ষিক বৈঠকৰ আয়োজন কৰা হয়। ২০২৬ চনত ভাৰত ব্ৰীকছৰ ভাবী অধ্যক্ষ হোৱাৰ পৰিপ্ৰেক্ষিতত এই বৈঠকতো ভাৰতে অধ্যক্ষতা কৰে। বৈঠকৰ পাছত হোৱা সংবাদমেলত বিদেশ মন্ত্ৰীসকলে যুটীয়াভাৱে দিয়া এখন বিবৃতিত যিকোনো ধৰণৰ সন্ত্ৰাসবাদকে তীব্ৰ ভাষাৰে গৰিহণা দিয়ে। তেওঁলোকে সীমান্তত সন্ত্ৰাসবাদীসকলৰ আহযাহকে ধৰি সন্ত্ৰাসবাদক পৃষ্ঠপোষকতা কৰা আৰু নিৰাপত্তা দিয়া সকলো ধৰণৰ কাৰ্যৰ বিৰুদ্ধে তেওঁলোকৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ কথা দোহাৰে। কোনো ধৰ্ম, জাতি, সভ্যতা নাইবা স্থানীয় গোটৰ সৈতে সন্ত্ৰাসবাদ জড়িত হ'ব নালাগে বুলি তেওঁলোকে কয়। এনে কাৰ্য সংঘটিত নাইবা সমৰ্থন কৰা যিকোনো লোকক ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় আইনৰ আওতালৈ আনিব লাগে বুলিও বিদেশ মন্ত্ৰীসকলে উল্লেখ কৰে।

০০০০০০০

বৈদেশিক পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী ড০ এছ জয়শংকৰে নিউয়ৰ্কত থকা ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাত অংশ লোৱাৰ সুযোগতে ব্ৰাজিলৰ বিদেশ মন্ত্ৰী মাউৰো ভিয়েৰা, দক্ষিণ আফ্ৰিকাৰ মহিলা যুৱ আৰু দিব্যাংগ দপ্তৰৰ মন্ত্ৰী সিন্দিছুৱে চিকুংগাৰ সৈতে বৈঠকত মিলিত হয়। সংবাদ মাধ্যমৰ সূত্ৰ অনুসৰি ত্ৰয়োদশ ভাৰত, ব্ৰাজিল, দক্ষিণ আফ্ৰিকা ত্ৰিপাক্ষিক বৈঠকত দেশ দুখনৰ মন্ত্ৰী দুগৰাকীয়ে অলপতে জম্মু-কাশ্মীৰৰ পেহেলগামত সন্ত্ৰাসবাদীয়ে নিৰীহ লোকক হত্যা কৰা বৰ্বৰ ঘটনাৰ তীব্ৰ গৰিহণা দিয়ে। তেওঁলোকে সকলো ধৰণৰ সন্ত্ৰাসবাদী কাৰ্যকলাপ তথা সন্ত্ৰাসবাদ কোনো কাৰণ নোহোৱাকৈ প্ৰত্যাহ্বান জনোৱা, সন্ত্ৰাসবাদৰ ক্ষেত্ৰত শূন্য সহনশীলতা আৰু সন্ত্ৰাসবাদী কাৰ্যকলাপ প্ৰতিহত কৰাৰ ক্ষেত্ৰত দুমুখীয়া স্থিতি গ্ৰহণ নকৰি ইয়াৰ বিৰুদ্ধে আন্তঃৰাষ্ট্ৰীয় আইন অনুসৰি সকলো ধৰণৰ ব্যৱস্থা সম্পূৰ্ণৰূপে গ্ৰহণ কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁলোকে লগতে ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাই নিৰ্দিষ্ট পৰিকাঠামোৰ ভিতৰত আন্তঃৰাষ্ট্ৰীয় সন্ত্ৰাসবাদৰ উমৈহতীয়া সন্মিলন আয়োজনৰ ওপৰত গুৰুত্ব আৰোপ কৰে, যাতে ৰাষ্ট্ৰসংঘই এই ক্ষেত্ৰত মধ্যস্থতাকাৰীৰ ভূমিকা গ্ৰহণ কৰিব পাৰে। আন্তঃৰাষ্ট্ৰীয় মান অনুযায়ী সন্ত্ৰাসবাদীক পুঁজি যোগানৰ বিৰুদ্ধে যুঁজ দিয়াৰ ক্ষেত্ৰত তেওঁলোকে গুৰুত্ব আৰোপ কৰে। মন্ত্ৰীকেইগৰাকীয়ে ৰাষ্ট্ৰসংঘৰ তালিকাভুক্ত

সকলো সন্ত্ৰাসবাদী গোট বিশেষকৈ অলকায়দা, আইছিছ, লস্কৰ-ই-তৈবা, জৈছ-ই-মহম্মদৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। ইউক্ৰেইন সংঘাটৰ ওপৰতো তেওঁলোকে আলোচনা কৰে।

০০০০০০০

ভাৰতে পৰ্যটনৰ মূল দৃষ্টিভংগীৰ সৈতে সংযোগ স্থাপন কৰি আগবাঢ়ি গৈছে বুলি পৰ্যটন বিভাগৰ ৰাজ্য মন্ত্ৰী সুৰেশ গোপীয়ে মন্তব্য কৰিছে। আজি নতুন দিল্লীত বিশ্ব পৰ্যটন দিৱস উপলক্ষে আয়োজিত এটা অনুষ্ঠানত ভাষণ প্ৰদান কৰি গোপীয়ে কয় যে চৰকাৰৰ উড়ান আঁচনিয়ে পৰ্যটনস্থলীসমূহৰ সৈতে যোগাযোগ ব্যৱস্থাক উন্নত কৰি স্থানসমূহক অধিক সুগম কৰি তুলিছে। মন্ত্ৰীগৰাকীয়ে লগতে কয় যে স্বদেশ দৰ্শন 2.0 ৰ দৰে প্ৰচেষ্টাই পৰ্যটনক্ষেত্ৰসমূহৰ বহনক্ষম উন্নয়নৰ দিশত গুৰুত্ব আৰোপ কৰাৰ লগতে আৰু প্ৰসাদ আঁচনিখনে দেশৰ তীৰ্থস্থানসমূহৰ উন্নয়ন নিশ্চিত কৰিছে।

নীতি আয়োগৰ উপ সঞ্চালক সুমন বেৰীয়ে তেওঁৰ ভাষনত বিদেশী পৰ্যটনৰ প্ৰচাৰৰ সমান্তৰালকৈ দেশৰ নাগৰিকসকলৰ বাবে পৰ্যটন ব্যৱস্থাক সুলভ আৰু সুগম কৰি তোলাৰ ক্ষেত্ৰত মুখামুখি হোৱা প্ৰত্যাহ্বানৰ কথা উল্লেখ কৰে। তেওঁ কয় যে অৰ্থনৈতিক পৰিৱৰ্তন, পৰিৱেশ নিয়ন্ত্ৰণ আৰু সামাজিক অন্তৰ্ভুক্তিৰ বাবে পৰ্যটন হৈছে শক্তিশালী মাধ্যম। শ্ৰী বেৰীয়ে লগতে কয় যে বহনক্ষম পৰ্যটনে জীৱিকাৰ সৃষ্টি কৰাৰ লগতে জৈৱ বৈচিত্ৰ্য সংৰক্ষণ কৰিব পাৰে। যাৰ উদাহৰন বিশ্বব্যাপী দেখিবলৈ পোৱা যায়।

উল্লেখযোগ্য যে এই বৰ্ষৰ বিশ্ব পৰ্যটন দিৱসৰ বিষয়বস্তু হৈছে পৰ্যটন আৰু বহনক্ষম পৰিৱৰ্তন। অনুষ্ঠানত এটা ব্যক্তিগত অ "টিটি প্লেটফৰ্ম আৰু অনলাইন ট্ৰেভেল এজেন্সিৰ মাজত বুজাবুজিৰ চুক্তিপত্ৰ (এমঅ" ইউ) স্বাক্ষৰ কৰা হৈছে। মন্ত্ৰালয়ে পৰ্যটন প্ৰকল্পসমূহ পৰিচালনা কৰিবলৈ প্ৰকল্প ব্যৱস্থাপনা তথ্য ব্যৱস্থা (PMIS) ৰ শুভাৰম্ভ কৰিছে। ইয়াৰ লগতে, সমগ্ৰ দেশতে মূল পৰ্যটনৰ প্ৰৱণতা প্ৰদৰ্শন কৰি ৬৬ সংখ্যক ভাৰত পৰ্যটন তথ্য ২০২৫ সংকলনো মুকলি কৰা হয়।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ আগত নিজৰ মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১২৬ সংখ্যক খণ্ড। এই অনুষ্ঠান আকাশবাণী আৰু দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কৰ উপৰি airnews ৱেবছাইট আৰু newsonair মোবাইল এপৰ জৰিয়তে এই

অনুষ্ঠান শুনিবলৈ পোৱা যাব। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়, তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়, আকাশবাণী আৰু দূৰদৰ্শনৰ ইউটিউৰ চেনেল যোগেও এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে অনুষ্ঠানটো প্ৰচাৰ হোৱাৰ ঠিক পাছতেই ইয়াৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০০০

সমাগত বিহাৰ বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ৰাজ্যখনত ৰাজনৈতিক কাৰ্যকলাপ বৃদ্ধি পাইছে। জ্যেষ্ঠ বিজেপি নেতা তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি তেওঁৰ বিহাৰ ভ্ৰমণৰ দ্বিতীয় দিনা দলীয় নেতা আৰু কৰ্মকৰ্তাসকলৰ সৈতে নিৰ্বাচন সন্দৰ্ভত আলোচনা কৰে। সমষ্টিপুৰৰ নেতা আৰু কৰ্মীসকলৰ সৈতেও তেওঁ নিৰ্বাচনী কৌশল সন্দৰ্ভত পৰ্যালোচনা কৰে। বৈঠকৰ সময়ত শ্ৰী শ্বাহে ৰাষ্ট্ৰীয় গণতান্ত্ৰিক মৰ্চাৰ ভিতৰচৰাত একতা বজাই ৰখাৰ ক্ষেত্ৰত জোৰ দিয়াৰ লগতে বিধানসভা নিৰ্বাচনত দলটোৱে সংখ্যা গৰিষ্ঠতা  লাভ কৰাটো নিশ্চিত কৰিবলৈও কৰ্মীসকলক আহ্বান জনায়। এই নিৰ্বাচনী বৈঠকত মিথিলাঞ্চল এলেকাৰ সমষ্টিপুৰ, মধুবনী আৰু ডাৰভাঙা জিলাকে ধৰি ৰাজ্যখনৰ কেইবাখনো জিলাৰ দলীয় নেতা আৰু কৰ্মীসকলে অংশগ্ৰহণ কৰে। কেন্দ্ৰীয় ৰাজ্য মন্ত্ৰী নিত্যানন্দ ৰায় আৰু ৰঘুবংশ চৌধাৰী, বিহাৰ বিজেপিৰ সভাপতি ড০ দিলীপ জয়ছোৱাল, উপ-মুখ্যমন্ত্ৰী সম্ৰাট চৌধাৰী আৰু বিজয় কুমাৰ সিনহাকে ধৰি দলৰ কেইবাগৰাকীও জ্যেষ্ঠ নেতা বৈঠকত উপস্থিত থাকে। ইপিনে পাটনাত আৰ জে ডিৰ নেতা তেজস্বী প্ৰসাদ যাদৱে আজি কাৰপুৰী আটী পিছ্ৰা অধিকাৰ সন্মিলনৰ আয়োজন কৰে। তদুপৰি সীমাঞ্চল এলেকাৰ বিভিন্ন জিলাত এ আই এম আই এম দলৰ মুৰববী আছাদুদ্দিন অ'ৱেচিয়েও কৰ্মচাৰী সন্মিলনৰ আয়োজন কৰে।

০০০০০০০

দক্ষিণ কোৰিয়াত অনুষ্ঠিত বিশ্ব পেৰা আৰ্চাৰী চেম্পিয়নশ্বিপত আজি অন্তিম দিনা ব্যক্তিগত কম্পাউণ্ড শাখাত ভাৰতে দুটা সোণৰ পদক অৰ্জনেৰে প্ৰতিযোগিতাত মুঠ সাতটা পদক লাভ কৰিছে। ব্যক্তিগত কম্পাউণ্ড শাখাত দুয়োখন হাত নথকা ভাৰতৰ ১৮ বছৰীয়া সীতল দেৱীয়ে সোণৰ পদক অৰ্জনেৰে ইতিহাস ৰছে। তেওঁ তুৰস্কৰ বিশ্বৰ এক নম্বৰ আৰ্চাৰগৰাকীক প্ৰতিযোগিতাৰ ফাইনেলত ১৪৬-১৪৩ ব্যৱধানত পৰাস্ত কৰে।

পুৰুষৰ ব্যক্তিগত কম্পাউণ্ড শাখাত ভাৰতৰ টোমান কুমাৰে সোণৰ পদক অৰ্জন কৰে। এই প্ৰতিযোগিতাত ভাৰতে তিনিটা সোণ, এটা ৰূপ আৰু তিনিটা ব্ৰঞ্জৰ পদক লাভ কৰে।

০০০০০০০

নতুন দিল্লীৰ ড০ কৰ্নি সিং ৰেঞ্জত অনুষ্ঠিত আই এছ এছ এফ জুনিয়ৰ ৱৰ্ল্ড কাপ প্ৰতিযোগিতাত আজি ১০ মিটাৰ এয়াৰ পিষ্টলৰ মিক্সড শাখাত ভাৰতৰ ৰশ্মিকা ছেহগাল আৰু কপিলে সোণৰ পদক অৰ্জন কৰে। তেওঁলোকে প্ৰতিযোগিতাৰ ফাইলেনত বংশীকা চৌধাৰী আৰু এণ্টনি জ'নাথন গেভিনক ১৬-১০ ব্যৱধানত পৰাস্ত কৰে। এই শাখাত স্পেইনৰ যুটীটোৱে ব্ৰঞ্জৰ পদক লাভ কৰে।

০০০০০০০

সমাপ্ত